অধ্যায় ৪ঃ ভাৰতৰ লোকসেৱাসমূহ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভাৰতৰ ৰাজনৈতিক কাৰ্যপালিকাআৰু স্থায়ী কাৰ্যপালিকা
৪.৪ ভাৰতৰ লোকসেৱাসমূহ ঃ সৰ্বভাৰতীয় সেৱাসমূহ, কেন্দ্ৰীয় অসামৰিক সেৱা আৰু ৰাজ্যিক সেৱাসমূহ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰ
৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাজনৈতিক কাৰ্যপালিকা অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- স্থায়ী কাৰ্যপালিকাৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতৰ অসামৰিক সেৱাৰ বুৰঞ্জী আলোচনা কৰিব পাৰিব
- ভাৰতৰ বিভিন্ন প্ৰকাৰৰ অসামৰিক সেৱাসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৪.২পৰিচয়

আমি সকলোৱে জানো যে চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ অংগ হৈছে কাৰ্যপালিকা। বিধানমণ্ডল জনসাধাৰণৰ কল্যাণৰ কাৰণে আইন প্ৰণয়ন কৰে আৰু এই আইনৰ দ্বাৰা যাতে জনসাধাৰণে সঁচা অৰ্থত লাভান্বিত হয় তাৰ বাবে কাৰ্যপালিকাই এই আইনসমূহ বলৱৎ কৰে। এই কাৰ্যপালিকা দুই প্ৰকাৰৰ ৰাজনৈতিক কাৰ্যপালিকা আৰু স্থায়ী কাৰ্যপালিকা। জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত মন্ত্ৰীসকলক ৰাজনৈতিক কাৰ্যপালিকাৰ কাৰ্যনিৰ্বাহক বোলা হয় আৰু তেওঁলোক প্ৰশাসনীয় ক্ষেত্ৰত অপেশাদাৰী। আনহাতে যিসকল প্ৰশাসনীয় বিষয়ত অভিজ্ঞ তেনে অসামৰিক সেৱকসকল স্থায়ী কাৰ্যপালিকা। এই অধ্যায়ত আমি ভাৰতবৰ্ষৰ ৰাজনৈতিক কাৰ্যপালিকা আৰু স্থায়ী কাৰ্যপালিকাৰ সম্পৰ্কে আলোচনা আগবঢ়াম। ইয়াৰ উপৰি ভাৰতৰ বিভিন্ন লোকসেৱাসমূহৰ বিষয়ে আলোচনা কৰিম।

৪.৩ ৰাজনৈতিক কার্যপালিকা আৰু স্থায়ী কার্যপালিকা

ভাৰতৰ প্রশাসন ব্যৱস্থাত দুই প্রকাৰৰ কার্যপালিকাৰ কার্যনির্বাহক থাকে। ৰাজনৈতিক কার্যপালিকা আৰু স্থায়ী বা অৰাজনৈতিক কার্যপালিকা। ৰাজনৈতিক কার্যপালিকা মন্ত্রীসকলৰ দ্বাৰা গঠিত যি এক সীমিত সময়ৰ বাবে পদবীত সেৱা আগবঢ়ায়। মন্ত্রীসকল হৈছে জনসাধাৰণৰ নির্বাচিত প্রতিনিধি আৰু সেয়ে তেওঁলোকৰ পদবী বা কার্যকাল স্থায়ী নহয়। তেওঁলোকৰ চৰকাৰ ক্ষমতাত নাথাকিলে তেওঁলোক ক্ষমতাৰ পৰা আঁতৰি যাব লাগে। ৰাজনৈতিক কার্যনির্বাহক বা মন্ত্রীসকল প্রশাসনীয় বিভাগসমূহৰ মুৰব্বী। তেওঁলোকে মুখ্য নীতি নির্দ্ধাৰকৰ ভূমিকা পালন কৰে। তেওঁলোকে, যিবোৰ নীতি প্রস্তুত কৰা হয় তাৰ মূল আধাৰ আৰু লক্ষ্যসমূহ নির্দ্ধাৰণ কৰে।

অন্যহাতেদি স্থায়ী কার্যনির্বাহক কার্যপালিকা অসামৰিক সেৱা বৃত্তিৰ বা আমোলা বিষয়াৰে গঠিত, তেওঁলোকে সামগ্রিক এটা কার্যকালৰ বাবে পদবীত কার্যনির্বাহ কৰে। চৰকাৰৰ পৰিৱর্তন ঘটিলেও আৰু নতুন এখন চৰকাৰ আহিলেও তেওঁলোক নিজা পদবীতে থাকে। স্থায়ী কার্যনির্বাহক বা অসামৰিক সেৱকসকলক বাছনি বা মনোনীতহে কৰা হয়, নির্বাচন কৰা নহয়। তেওঁলোকক সংবিধিবদ্ধ আয়োগ বা পৰিষদ একোটাই পৰীক্ষা পদ্ধতিৰে বাছনি কৰে। এই বাছনিৰ কাৰণে গঠন কৰা পৰিষদক ভাৰতত কেন্দ্রীয় লোকসেৱা আয়োগ বা ৰাজ্যিক লোকসেৱা আয়োগ বোলা হয়। এই স্থায়ী কার্যনির্বাহকসকলে তেওঁলোকৰ অৱসৰৰ পর্যন্ত প্রশাসনিক পদবীত থাকে। সংবিধানত উল্লেখ থকা পদ্ধতি অবিহনে বা আইন সভাই গৃহীত কৰা কোনো আইন ব্যতিৰেকে তেওঁলোকক পদৰ পৰা অপসাৰণ কৰিব নোৱাৰে।

এখন কল্যাণকামী ৰাষ্ট্রত সর্ব প্রকাৰৰ উন্নয়নৰ স্বার্থত ৰাষ্ট্রৰ প্রশাসনে এক বৃহৎ ভূমিকা পালন কৰে। সেইমতে প্রশাসনীয় বিভাগৰ মুৰব্বী হিচাপে মন্ত্রী এগৰাকীৰ ভূমিকা অতীৱ গুৰুত্বপূর্ণ। অৱশ্যে, সাধাৰণতে প্রশাসনীয় ক্ষেত্রখনত মন্ত্রীজন অপেশাদাৰী। প্রশাসন চলোৱাত তেওঁলোকৰ জ্ঞানৰ আৰু কর্মদক্ষতাৰ অভাৱ পৰিলক্ষিত হয়। বিশেষকৈ নৱ নিযুক্ত মন্ত্রীসকলৰ ক্ষেত্রত এই কথা অধিক প্রযোজ্য। ইয়াৰ কাৰণ তেওঁলোকে কেৱল নির্বাচনত জয়ী হয়েই দায়িত্বভাৰ গ্রহণ কৰে। তেওঁলোকৰ পেশাদাৰী কর্মদক্ষতা পদবীত নাথাকে। অধিক সংখ্যক মন্ত্রীয়ে প্রশাসনীয় বিভাগ এটাৰ কৌশলসমূহ বুজি নাপায়। সেয়েহে মন্ত্রী হিচাপে বিভাগ এটা চলাবলৈ, তেওঁ অসামৰিক সেৱাৰ বিষয়াৰ ওপৰত সম্পূর্ণভাৱে নির্ভৰ কৰিবলগীয়া হয়। ইয়াৰ কাৰণ অসামৰিক বিষয়া সকলে নিযুক্তি লাভ কৰাৰ পাছত গ্রহণ কৰা কঠোৰ প্রশিক্ষণ আৰু তেওঁলোকৰ কর্মপথত লাভ কৰা বিশাল অভিজ্ঞতাই বিভাগ একোটাৰ বাহিৰ ভিতৰৰ সকলোখিনি কামৰ পূর্ণ শিক্ষাৰে শিক্ষিত হৈ উঠে। সেই বাবেই অসামৰিক সেৱাৰ বিষয়াসকলে মন্ত্রীসকলক নীতি প্রস্তুত কৰাৰ ক্ষেত্রত পৰামর্শ প্রদান কৰে আৰু অধিকাংশ ক্ষেত্রত মন্ত্রীৰ হৈ পৰোক্ষভাৱে স্বাক্ষৰো কৰে। মাজে মাজে মন্ত্রীয়ে কোনো নীতিৰ বিস্তৃত ৰূপৰেখা এটা প্রস্তুত কৰে আৰু অসামৰিক বিষয়া সকলে ইয়াৰ খুঁটিনাটি মাৰি ফলপ্রসূ ৰূপ প্রদান কৰে। প্রশাসনত প্রয়োজনীয়

কৌশল, মনোবল আৰু দক্ষতা অসামৰিক সেৱাৰ বিষয়াসকলে তেওঁলোকৰ কর্মপথত লাভ কৰা অভিজ্ঞতাৰে পুষ্ট হৈ উঠে। যদিহে তেওঁলোকে দেখে যে, কোনো নীতি ফলপ্রসূ হোৱা নাই, তেতিয়া তেওঁলোকে এই ত্রুটি মন্ত্রীসকলক আঙুলিয়াই দেখুৱাব পাৰে আৰু নীতি সাল-সলনি বা সংশোধনৰ বাবে পৰামর্শ আগবঢ়াব পাৰে।

এনেদৰে ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হয় যে, ৰাজনৈতিক আৰু স্থায়ী কার্যপালিকাৰ, মাজত এৰাব নোৱৰা সম্পর্ক আছে। বিভাগ একোটাত এই দুই কার্যপালিকা মাজত উপযুক্ত সহযোগিতা অবিহনে জনসাধাৰণক সেৱা আগবঢ়াবলৈ প্রশাসন ব্যর্থ হয়। যাৰ বাবে ৰাজনৈতিক কার্যবাহীসকল নির্বাচনৰ সময়ত নিশ্চিতভাৰে ৰাইজৰ প্রশ্নৰ সন্মুখীন হ'বলগীয়া হয়। সেয়েহে ফলপ্রদ প্রশাসনৰ বাবে ৰাজনৈতিক আৰু স্থায়ী কার্যপালিকাৰ মাজত সম্পূর্ণ সহযোগিতাৰ আৱশ্যক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰতীয় প্রশাসন ব্যৱস্থাত দুই ধৰণৰ কার্যপালিকা পোৱা যায় ৰাজনৈতিক কার্যপালিকা আৰু স্থায়ী বা অৰাজনৈতিক কার্যপালিকা । (শুদ্ধ/অশুদ্ধ)

.....

.....

প্রশ্ন ২ ঃ মন্ত্রীসকলৰদ্বাৰা গঠিত..... এটা সীমিত বা নির্দ্ধাৰিত সময়ৰ বাবেহে পদবীত সেৱা আগবঢ়াব পাৰে। (খালী ঠাই পূৰ কৰক)।

.....

.....

৪.৪ ভাৰতৰ লোকসেৱাসমূহ ঃ সর্ব ভাৰতীয় সেৱাসমূহ, কেন্দ্রীয় অসামৰিক সেৱাসমূহ, ৰাজ্যিক সেৱা সমূহ

৪.৪.১ ভাৰতৰ অসামৰিক সেৱাৰ ইতিহাস

ৰাজহুৱা প্রশাসন ব্যৱস্থাটো উপযুক্ত অসামৰিক সেৱক/ বিষয়া সকলৰদ্বাৰা জনকল্যাণৰ অর্থে নীতি প্রস্তুত, ৰূপায়ণ আৰু পৰিচালনাৰ লগত জড়িত। ই লোকসেৱা বা অসামৰিক সেৱাসমূহেৰে গঠিত। 'অসামৰিক সেৱা' পৰিভাষাটো হার্মান ফিনাৰে

সংজ্ঞায়িত কৰিছিল। যাৰ অর্থ 'স্থায়ী কৌশলী দক্ষ আৰু বেতনভোগী/ অর্থপ্রদত্ত আমোলাৰে গঠিত পেছাদাৰী পৰিষদ/ মণ্ডলী।' অসামৰিক সেৱা হৈছে প্রশাসন যন্ত্রটোৰ মেৰুদণ্ড। তেওঁলোকে সমগ্র দেশতে আইন কার্যকৰী কৰে আৰু জনসাধাৰণৰ লগত চৰকাৰৰ সংযোগ ঘটায় । এনেদৰে অসামৰিক সেৱাই ৰাষ্ট্রৰ দায়িত্ব বা কর্তব্য মসৃণভাৰে পৰিচালনাৰ বাবে অত্যাৱশ্যকীয় প্রশাসনীয় কার্যসমূহ সম্পাদন কৰে।

ভাৰতত ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত আধুনিক অসামৰিক সেৱাৰ আৰম্ভণি ঘটে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ কর্মচাৰীসকলক ভৃত্য বা সেৱক বোলা হৈছিল আৰু যি সকলে নৌ অথবা সামৰিক প্রকৃতিৰ কর্তব্য পালন কৰিছিল তেওঁলোকৰ পৰা পৃথক কৰি দেখুৱাবৰ বাবে যি সকলে বৈদেশিক বাণিজ্য পৰিচালনা কৰিছিল তেওঁলোকক অসামৰিক সেৱক বা ভৃত্য বুলিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চুক্তি অনুসৰি অসামৰিক সেৱাসমূহৰ আৰম্ভণি ঘটায়। চুক্তিবদ্ধ অসামৰিক সেৱাৰ প্রতিনিধি বা সদস্য সকলে ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰিষদৰ লগত চুক্তিত স্বাক্ষৰ কৰিবলগীয়া হৈছিল। ভাৰতৰ গবর্নৰ জেনেৰেল লর্ড কর্নৱালিছক ভাৰতত অসামৰিক সেৱাৰ পিতৃ আখ্যা দিয়া হয়। তেওঁ চুক্তিবদ্ধ অসামৰিক সেৱা (কেৱল ইউৰোপীয় অন্তর্ভুক্তি আৰু ঊর্ধ্বতন অসামৰিক সেৱাৰে গঠিত) আৰু অচুক্তিবদ্ধ অসামৰিক সেৱা (ঊর্ধ্বতন অসামৰিক সেৱাৰ গঠিত য'ত ভাৰতীয় সকলেও আবেদন কৰিব পাৰে) ৰ সূচনা কৰে। পৰৱর্ত্তী সময়ত যেতিয়া ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা ভাৰতবর্ষৰ শাসন ব্রিটিছ চৰকাৰে নিজ হাতলৈ নিয়ে, তেতিয়া ভাৰতৰ ঊর্ধ্বতন অসামৰিক সেৱাক ৰাজকীয় অসামৰিক সেৱা বোলা গৈছিল আৰু পৰৱর্ত্তী কালত ভাৰতীয় অসামৰিক সেৱা বুলি জনা যায়। ৰাজকীয় অসামৰিক সেৱাৰ মুৰব্বী হিচাপে ভাৰতৰ ৰাষ্ট্রৰ সচিব গৰাকী আছিল।

১৮৫৪ চনত মেক'লে কমিটিয়ে পৰামর্শ আগবঢ়ায় যে অসামৰিক সেৱাৰ নিযুক্তিৰ ক্ষেত্রত পৃষ্ঠপোষকতা বা অনুগ্রহতকৈ মেধা আধাৰিত পদ্ধতিহে গ্রহণ কৰা উচিত । সেই অনুসৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ব্রিটিছ চৰকাৰলৈ ক্ষমতা হস্তান্তৰৰ পাছত ভাৰতৰ অসামৰিক সেৱাত নিযুক্তি মেধা আধাৰিত আৰু কেৱল প্রতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে কৰা হয়। ভাৰতীয় অসামৰিক সেৱাৰ প্রথম প্রতিযোগিতামূলক পৰীক্ষাটো অনুষ্ঠিত হৈছিল ১৮৮৫ চনত। ঔপনিৱেশিক প্রশাসনৰ আগছোৱা সময়ত ভাৰতীয় সকলক ঊর্ধ্বতন অসামৰিক সেৱাৰ যিকোনো পদতে গ্রহণ কৰা হোৱা নাছিল। ১৮৮৬ চনত ছাৰ চি. ইউ. এইটছিচনৰ অধ্যক্ষতাত গঠিত এইটশ্চিচন আয়োগে (The Aitchison Commission) ভাৰতীয়কো লোক সেৱাত নিযুক্তিৰ পৰামর্শ আগবঢ়ায়। পৰৱর্ত্তী সময়ত এইটচিছন আয়োগৰ পৰামর্শৰ আধাৰত ১৮৯২ চনত প্রাদেশিক অসামৰিক সেৱা সৃষ্টি কৰা হয়।

১৯১৯ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি ৰাজকীয় অসামৰিক সেৱাৰ ঠাইত সৰ্বভাৰতীয় সেৱা আৰু কেন্দ্ৰীয় সেৱা নামেৰে দুটা শ্ৰেণীৰ সেৱাৰ সৃষ্টি কৰা হয়। সৰ্বভাৰতীয় সেৱাই ভাৰতীয় অসামৰিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা, ভাৰতীয় বন সেৱা, ভাৰতীয় শৈক্ষিক সেৱা, ভাৰতীয় কৃষি সেৱা, ভাৰতীয় চিকিৎসা সেৱা (অসামৰিক) আদিবোৰক সামৰি লয়। এই আইন সৰ্বভাৰতীয় আৰু কেন্দ্ৰীয় সেৱাসমূহত নিযুক্তি দিবৰ কাৰণে ভাৰততে পৰীক্ষা পৰিচালনা কৰাৰ বাবে ভাৰতীয় লোকসেৱা আয়োগ প্ৰতিষ্ঠাৰ সুবিধা প্ৰদান কৰে। সৰ্বভাৰতীয় সেৱাসমূহ ভাৰত চৰকাৰ আৰু ৰাজ্যৰ সচিবৰ ওচৰত চূড়ান্তভাৱে দায়বদ্ধ।

১৯২৩ চনত, ব্ৰিটিছ চৰকাৰে সৰ্বভাৰতীয় সেৱাৰ বিষয়সমূহ পৰীক্ষা কৰা আৰু সেৱাৰ ভাৰতীয়কৰণৰ দৰে আন আন বিষয় সমূহ চোৱাচিতাৰ বাবে ভিছকাউণ্ট লী (Viscount Lee) ৰ অধ্যক্ষতাত ৰয়েল কমিছনক নিযুক্তি দিয়ে। ১৯২৪ চনত লী কমিছনে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে আৰু এই প্ৰতিবেদনে অন্যান্য বিষয়ৰ লগতে, ৰাজ্যৰ সচিবৰ দ্বাৰা নিযুক্ত সকলকো সৰ্ব ভাৰতীয় সেৱাৰ ভিতৰুৱা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। লী কমিচনৰ এই পৰামৰ্শ ব্ৰিটিছ চৰকাৰে গ্ৰহণ কৰে। পৰৱৰ্ত্তী কালত ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি অসামৰিক সেৱাত কিছুমান সংস্কাৰ ঘটোৱা হয়। এই আইনে সৰ্বভাৰতীয় সেৱাসমূহক তিনিখন তালিকাত ভাগ কৰে। এইবোৰ হৈছে —

(ক) ভাৰতীয় অসামৰিক সেৱা, (খ) ভাৰতীয় আৰক্ষী সেৱা আৰু (গ) ভাৰতীয় চিকিৎসা সেৱা (অসামৰিক)। এই আইনে এক যুক্তৰাষ্ট্ৰীয় লোক সেৱা আয়োগ, প্ৰাদেশিক আয়োগ আৰু দুই বা ততোধিক প্ৰদেশ ৰ বাবে এক যৌথ আয়োগ প্ৰতিষ্ঠাৰ সুবিধা আগবঢ়ায়।

১৯৪৬ চনত দেশে স্বাধীনতা লাভ কৰাৰ পাছত সৰ্বভাৰতীয় সেৱা সম্পৰ্কীয় প্ৰশ্ন পুনৰবাৰ সন্মুখীন হ'বলগীয়া হয়। ১৯৪৬ চনত পণ্ডিত জৱাহৰলাল নেহৰু প্ৰধানমন্ত্ৰী আৰু চৰ্দাৰ বল্লভ ভাই পেটেলক গৃহমন্ত্ৰী হিচাপে লৈ আভ্যন্তৰীণ চৰকাৰ গঠন হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ভাৰত ৰাষ্ট্ৰৰ বাবে থকা সচিবে ভাৰতীয় অসামৰিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱাত নিযুক্তি স্থগিত ৰখাৰ বাবে প্ৰশ্নটো অধিক জৰুৰী হৈ পৰে। আনকি যুদ্ধৰ অৱসানৰ পাছতো নিযুক্তি পুনৰাৰম্ভ কৰা নহ'ল। প্ৰশাসনীয় ব্যৱস্থাটো বাচনি কৰাৰ বাবে তেতিয়াৰ গৃহমন্ত্ৰী চৰ্দাৰ পেটেলে ১৯৪৬ চনৰ অক্টোবৰত প্ৰাদেশিক প্ৰধানসকলৰ এখন সম্মিলন আহ্বান কৰে। এই সম্মিলনত চৰ্দাৰ পেটেলে সৰ্বভাৰতীয় সেৱাসমূহ প্ৰতিষ্ঠা কৰাৰ আকাংক্ষা প্ৰকাশ কৰে। সৰ্বভাৰতীয় সেৱাই কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ মাজত সম্পৰ্ক স্থাপন, প্ৰশাসন একক মান সুনিশ্চিত কৰণ আৰু কেন্দ্ৰীয় প্ৰশাসনে বাস্তৱৰ লগত সংগতি ৰাখি আগবাঢ়ি যোৱাৰ ওপৰত তেওঁ গুৰুত্ব

আৰোপ কৰে। ইয়াৰ উপৰি তেওঁ প্ৰাদেশিক প্ৰশাসন সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলৰ অভিজ্ঞতা আৰু বহল দৃষ্টিভংগীৰদ্বাৰা উপকৃত হ'ব বুলি মন্তব্য আগবঢ়াইছিল। এই সন্মিলনে প্ৰস্তাৱিত সৰ্ব ভাৰতীয় সেৱাসমূহ আৰু ভাৰতীয় বৈদেশিক সেৱাৰ বাবে এক যুটীয়া প্ৰতিযোগিতামূলক পৰীক্ষাৰো পৰামৰ্শ আগবঢ়ায়। সৰ্বভাৰতীয় সেৱাৰপৰা বিভিন্ন প্ৰদেশলৈ বিষয়াসকলক আবণ্টন কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট প্ৰদেশৰ চৰকাৰৰ লগত আলোচনা কৰা হয়। ৰাজ্যসমূহে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ লগত আলোচনা কৰি সৰ্বভাৰতীয় বিষয়াসকলক মুক্তভাৱে সামান্য পৰিমাণৰ দণ্ড বিহিব পাৰে। প্ৰাদেশিক মুৰব্বীসকলৰ সন্মিলনৰ পৰামৰ্শ ভাৰতৰ সংবিধানৰ গণ্ডীৰ ভিতৰুৱা।

৪.৪.২ ভাৰতৰ লোকসেৱা সমূহ

স্বাধীন ভাৰতত লোকসেৱা সমূহক তিনি প্ৰকাৰত ভাগ কৰা হৈছে — সৰ্বভাৰতীয় সেৱা, কেন্দ্ৰীয় সেৱা আৰু ৰাজ্যিক সেৱা।

(ক) সৰ্বভাৰতীয় সেৱাসমূহ ঃ- ভাৰতীয় সংবিধানৰ ৩০৯ অনুচ্ছেদৰ পৰা ৩১৪ অনুচ্ছেদ পৰ্যন্ত কেন্দ্ৰীয় আৰু ৰাজ্যসমূহৰ অধীনৰ সেৱাসমূহৰ লগত জড়িত বিষয়সমূহে ঠাই পাইছে। ভাৰতৰ সংবিধানৰ ৩১২ (১) অনুচ্ছেদত কোৱা হৈছে যে ন্যুনতম দুই তৃতীয়াংশ উপস্থিতি আৰু ভোটৰদ্বাৰা সমৰ্থন লাভ কৰি যদি ৰাজ্যসভাই এক সিদ্ধান্ত প্ৰকাশ কৰে যে ৰাষ্ট্ৰৰ প্ৰয়োজনত এইটো কৰা আৱশ্যক বা সমীচিন, তেতিয়া সংসদে আইনৰ দ্বাৰা কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত উমৈহতীয়াকৈ এক বা ততোধিক সৰ্ব ভাৰতীয় সেৱাৰ সৃষ্টি কৰিব পাৰে আৰু নিযুক্তি নিয়ন্ত্ৰণৰ লগতে এনে ধৰণৰ যিকোনো সেৱাত নিযুক্ত ব্যক্তিৰ সেৱাৰ মান নিৰ্দ্ধাৰণ কৰিব পাৰে।

১৯৫১ চনত সংসদত সৰ্বভাৰতীয় সেৱা আইন গৃহীত হয়। এই আইনে সৰ্বভাৰতীয় সেৱাত নিযুক্তিৰ বাবে ব্যক্তিৰ সংগ্ৰহ আৰু সেৱাৰ মান নিৰ্দ্ধাৰণৰ নীতি নিয়ম প্ৰস্তুতৰ বাবে ৰাজ্যিক চৰকাৰৰ লগত আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক ক্ষমতা প্ৰদান কৰে।

৩১০ অনুচ্ছেদত কোৱা হৈছে যে, সৰ্বভাৰতীয় সেৱা অথবা কেন্দ্ৰীয় সেৱাৰ অধীনৰ প্ৰতিজন অসামৰিক সেৱক ৰাষ্ট্ৰপতিৰ সন্তুষ্টিৰ ওপৰত নিৰ্ভৰ কৰিহে পদবীত থাকিব পাৰিব। ইয়াৰ উপৰি ৩১১ (১)অনুচ্ছেদত কোৱা হৈছে যে, সৰ্বভাৰতীয় সেৱাৰ বা কেন্দ্ৰৰ অধীনস্থ কোনো সেৱাৰ এজন সভ্যক, তেওঁক নিযুক্তি প্ৰদানকাৰীৰ অধীনস্থ কৰ্তৃপক্ষই বৰ্খাস্ত বা অপসাৰণ কৰিব নোৱাৰিব। ৩১১ (২) অনুচ্ছেদত অসামৰিক সেৱক এজনৰ অপসাৰণ পদ্ধতিৰ বিধান দিয়া হৈছে।

বৰ্তমান ভাৰতবৰ্ষত তিনি ধৰণৰ সৰ্বভাৰতীয় সেৱা আছে। এই তিনি প্ৰকাৰ হ'ল, ভাৰতীয় প্ৰশাসনিক সেৱা (আই.এ.এছ), ভাৰতীয় আৰক্ষী সেৱা (আই. পি. এছ) আৰু ভাৰতীয় বন সেৱা (আই এফ এছ)। সৰ্বভাৰতীয় সেৱাৰ কৰ্মচাৰীয়ে কেন্দ্ৰীয় চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগতে ৰাজ্য চৰকাৰসমূহৰো সেৱা আগবঢ়ায়। ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকলৰ কেডাৰ নিয়ন্ত্ৰণ কৰ্তপক্ষ হ'ল ভাৰত চৰকাৰৰ কৰ্মচাৰী, প্ৰশাসন, লোক-অভিযোগ আৰু পেঞ্চন মন্ত্ৰ্যালয়। ঠিক একেদৰে গৃহ মন্ত্ৰ্যালয়ে ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ) আৰু পৰিৱেশ আৰু বন মন্ত্ৰ্যালয়ে ভাৰতীয় বন সেৱা (আই এফ এছ)ৰ কেডাৰ নিয়ন্ত্ৰণ কৰে। প্ৰশিক্ষণ কাল অন্ত পৰাৰ লগে লগে সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলক ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল সমূহত তেওঁলোকৰ কেডাৰ আবণ্টন দিয়া হয় আৰু সাধাৰণতে বিষয়া এগৰাকীয়ে তেওঁৰ সমগ্ৰ প্ৰশাসনীয় কেৰিয়াৰ তেওঁ সংশ্লিষ্ট কেডাৰভুক্ত ৰাজ্যত কাৰ্যনিৰ্বাহ কৰিব লাগে। ইয়াৰ ব্যতিৰেকে সম্ভৱ হ'লে চমু কাল (পাঁচ বছৰ বা অনুৰূপ) কেন্দ্ৰীয় চৰকাৰৰ লগতো কাম কৰিব পাৰে।

- **সৰ্বভাৰতীয় সেৱাৰ সম্পৰ্কীয় বিতৰ্ক**
  - **সৰ্বভাৰতীয় সেৱাসমূহৰ সপক্ষে যুক্তি**

সৰ্বভাৰতীয় সেৱাসমূহৰ আৱশ্যকীয়তা আৰু গুৰুত্ব সৰ্বজন স্বীকৃত।
মোটামুটিকৈ তলৰ যুক্তিসমূহ সৰ্বভাৰতীয় সেৱাৰ সপক্ষে দাঙি ধৰা হয় —
(ক) এই সেৱাসমূহৰ এক ৰাষ্ট্ৰীয় দৃষ্টিভংগী আৰু প্ৰেক্ষাপট থাকে আৰু সেই নিমিত্তে সংকীৰ্ণতা আৰু আঞ্চলিক চিন্তাৰ বিপৰীতে প্ৰয়োজনীয় সুৰক্ষা প্ৰদান কৰে। তাৰ ফলস্বৰূপে এই সেৱাসমূহৰ সদস্যই ৰাষ্ট্ৰীয় একতাৰ আহিলা ৰূপে কাম কৰে।

(খ) সৰ্বভাৰতীয় সেৱাসমূহৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপট আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ লগত নৈমিত্তিক পাৰস্পৰিক বিচাৰ বিবেচনাই এক বহল প্ৰেক্ষাপটত ৰাজ্যিক আৰু আঞ্চলিক সমস্যাসমূহৰ সমাধান আগবঢ়ায় আৰু উৎকৃষ্ট নীতি আৰু সিদ্ধান্ত গ্ৰহণত অগ্ৰসৰ হয়।

(গ) এই সেৱাসমূহৰ সদস্যসকলক সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ দ্বাৰা নিযুক্তি দিয়াৰ বাবে তেওঁলোকৰ দক্ষতা যথেষ্ট উচ্চ পৰ্যায়ৰ। বিভিন্ন বিদ্যায়তনিক পৃষ্ঠভূমি আৰু অধিকাংশই পঢ়া শুনাৰ ক্ষেত্ৰত অতি মেধাবী হোৱাৰ বাবে তেওঁলোক বিচাৰ বুদ্ধি সম্পন্ন আৰু চৰকাৰী কাম-কাজ পৰিচালনাৰ ক্ষেত্ৰত উদ্ভাৱনী দক্ষতাসম্পন্ন হয়।

(ঘ) সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলে সাধাৰণতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়তে সেৱা আগবঢ়োৱাৰ বাবে তেওঁলোকে দুয়োটা পৰিৱেশত শিকাৰ সুবিধা পায়। যেতিয়া তেওঁলোকে কেন্দ্ৰৰ হকে কাম কৰে, জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ তৃণমূল অভিজ্ঞতাই

বিভিন্ন নীতি প্ৰস্তুতৰ বাবে ব্যৱহাৰিক দৃষ্টিভংগী প্ৰদান কৰে। একেদৰে যেতিয়া ৰাজ্যিক পৰ্যায়ত কাম কৰে কেন্দ্ৰত লাভ কৰা দৃষ্টিভংগীয়ে এক বহল বাস্তৱসন্মত দৃষ্টিভংগী লোৱাত সহায় কৰে আৰু এনেদৰে ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা সাপেক্ষে ৰাজ্য চৰকাৰৰ নীতি সমূহৰ পৰিকল্পনা আৰু পুনৰ পৰিকল্পনা কৰে।

(ঙ) কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত লাভ কৰা অভিজ্ঞতাই সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সংযোগ সেঁতু নিৰ্মাণত সহায় কৰে।

(চ) প্ৰত্যক্ষভাৱে নিযুক্তসৰ্বভাৰতীয় সেৱাৰ অধিকাংশ বিষয়াই নিজ ৰাজ্যৰ বাহিৰত নিযুক্ত হোৱাৰ বাবে তেওঁলোকে তেওঁলোকৰ কৰ্মত বস্তুনিষ্ঠতা আৰু নিৰপেক্ষতা আনিব পাৰে।

(ছ) চাকৰিৰ সুৰক্ষাৰ ক্ষেত্ৰত সাংবিধানিক নিৰাপত্তা সাহাৰ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থন থকাৰ বাবে সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলে তেওঁলোকৰ ৰাজ্যিক ৰাজনৈতিক নেতা বা কৰ্মকৰ্তাসকলক স্বচ্ছন্দে পৰামৰ্শ উপদেশ আদি দিব পাৰে।

(জ) জৰুৰীকালীন আৰু ৰাষ্ট্ৰপতি শাসনৰ সময়ত এই বিষয়াসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে কাম কৰে।

- **সৰ্বভাৰতীয় সেৱা সম্পৰ্কীয় বিতৰ্ক**
  - **সৰ্বভাৰতীয় সেৱাসমূহৰ বিপক্ষে যুক্তিসমূহ**

সৰ্বভাৰতীয় সেৱাসমূহ সমালোচনাৰ পৰা হাত সাৰিব পৰা নাই। ৰাজ্যসমূহত বিৰোধী দল শাসনত অধিষ্ঠিত হৈ থাকিলে ইয়াৰ বিৰোধিতা সৃষ্টি হয়। এই সেৱাসমূহৰ ভূমিকাৰ ওপৰত সতৰ্ক দৃষ্টি ৰখা নেতৃত্বই সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলক কেন্দ্ৰৰ শাসিত দলৰ এজেন্ট বা প্ৰতিনিধি হিচাপে কাম কৰি থকা বুলি সন্দেহ কৰে। সৰ্বভাৰতীয় সেৱাৰ বিৰুদ্ধে ৰাজ্য চৰকাৰ সমূহৰ দ্বাৰা উত্থাপিত যুক্তিসমূহ সাধাৰণতে তলত দিয়া ধৰণৰ —

(ক) এই সেৱাসমূহে ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰভাৱ অযথা বৃদ্ধি ঘটায় আৰু এনেদৰে ভাৰতীয় যুক্তৰাষ্ট্ৰীয় গাঁথনিত অসমতাৰ সৃষ্টি কৰে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ নথিভুক্ত পদ্ধতিত সৰ্বভাৰতীয় সেৱাৰ উৎকৃষ্ট বিষয়াসকলে পাঁচ বছৰ বা ইয়াতকৈও অধিক কাল কেন্দ্ৰীয় চৰকাৰক সেৱা আগবঢ়াব লাগে। এই প্ৰণালীত ৰাজ্যিক চৰকাৰসমূহ প্ৰক্ৰিয়াত কমদক্ষতাৰ পৰা বঞ্চিত হ'ব লগা হয়।

(গ) ৰাজ্য চৰকাৰসমূহে বিপথগামী সৰ্বভাৰতীয় সেৱাৰ বিষয়াক সহজে নিয়ন্ত্ৰণ কৰিব

নোৱাৰে। এনে বিষয়াৰ বিৰুদ্ধে কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থাও ল'ব নোৱাৰে। শাস্তিমূলক ব্যৱস্থা ল'বলৈও কেন্দ্রীয় চৰকাৰৰ অনুমতিৰ প্রয়োজন আৰু এনে অনুমতি পোৱাটোও কঠিন।

উল্লেখ কৰা ধৰণৰ যুক্তিসমূহ সর্বভাৰতীয় সেৱাৰ বিৰুদ্ধে আগবঢ়োৱা হয় যদিও সর্বভাৰতীয় সেৱাই যিমান দূৰ সম্ভৱ তেওঁলোকৰ ভূমিকা আৰু কর্তব্য উলংঘন কৰা দেখা নাযায়। এই কথাটো সমালোচনাৰ সময়ত সমালোচকসকলে সাধাৰণতে পাহৰি যায়, আৰু সর্বভাৰতীয় সেৱাসমূহক সমালোচনা কৰিবলৈ যাওঁতে সমালোচকসকলে ইয়াৰ বিৰুদ্ধে অভিজ্ঞতাতকৈ সংশয় বা সন্দেহকহে আধাৰ হিচাপে ব্যৱহাৰ কৰে। কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰৰ ওপৰত কোনো ধৰণৰ নতুন সর্বভাৰতীয় সেৱা আৰোপ নকৰে। অৱশ্যে ৰাজনৈতিক নেতাসকলক সর্বভাৰতীয় সেৱাৰ বিষয়াসকলে যথোচিত সন্মান জনাব লাগে। ইয়াৰ আৱশ্যকতাৰ কাৰণ এয়ে যে কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ মাজত ঐক্যমতৰ আধাৰত অধিক সর্বভাৰতীয় সেৱা সৃষ্টি কৰা।

➢ নিযুক্তি প্রক্রিয়া

অসামৰিক সেৱাৰ বিষয়াসকলৰ নিযুক্তিৰ প্রাথমিক নীতিসমূহ ১৮৫৪ চনত থমাছ বেবিংটন মেক'লেই (Thomas Babington Macaulay) প্রস্তুত কৰা 'ভাৰতীয় অসামৰিক সেৱাৰ প্রতিবেদন'ত (Report on the Indian Civil Serveces) উল্লেখ কৰা আছে। ১৯৭০ চনৰ কোঠাৰী কমিটিৰ প্রতিবেদনৰ আধাৰত এই নীতিৰ মাত্র সংশোধনী ঘটোৱা হৈছে। কেন্দ্রীয় লোকসেৱা আয়োগৰ দ্বাৰা প্রতিবছৰে অনুষ্ঠিত কৰা এক প্রতিযোগিতামূলক পৰীক্ষাৰ যোগেদি ভাৰতীয় প্রশাসনিক সেৱা (আই এ এছ), ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ) আৰু কেন্দ্রীয় সেৱাৰ প্রথম শ্রেণী (Group A) ৰ বিষয়াসকলৰ প্রত্যক্ষ নিযুক্তি দিয়া হয়। ভাৰতৰ সংবিধানৰ ৩১৫ অনুচ্ছেদত কোৱা হৈছে যে 'কেন্দ্রীয়ভাৱে এখন কেন্দ্রীয় লোকসেৱা আয়োগ থকাৰ উপৰি প্রতিখন ৰাজ্যত লোকসেৱা আয়োগ থাকিব।' এই পৰীক্ষাত অৱর্তীন হ'বৰ বাবে নূন্যতম শিক্ষাগত অর্হতা হ'ব কোনো এক স্বীকৃতিপ্রাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতক।

➢ প্রতিযোগিতামূলক পৰীক্ষাৰ পদ্ধতি

ভাৰতীয় অসামৰিক সেৱা (আই.এ.এছ), ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ) আৰু কেন্দ্রীয় সেৱা (প্রথম শ্রেণী) ৰ নিযুক্তিৰ বাবে পতা পৰীক্ষা দুটা পর্যায়ত অনুষ্ঠিত হয় —

(ক) প্রাৰম্ভিক পৰীক্ষা (Preliminary Examination) আৰু

(খ) মূল পৰীক্ষা (Main Examination)। মূল পৰীক্ষাৰ দুটা ভাগ এটা লিখিত আৰু আনটো সাক্ষাৎকাৰ।

➢ পদোন্নতিৰ জৰিয়তে নিযুক্তি

ৰাজ্যিক সেৱাসমূহৰ পৰা আই এ এছ কে ধৰি সর্বভাৰতীয় সেৱালৈ পদোন্নতিৰ বাবে এক অংশ (Quota) থাকে। প্রাৰম্ভিকতে এই অংশৰ পৰিমাণ ২৫ শতাংশ; কিন্তু ৰাজ্যসমূহৰ

অটল দাবীত এই অংশৰ পৰিমাণ ৩৩.১৩ শতাংশলৈ বৃদ্ধি ঘটাব পাৰে। কেন্দ্রীয় লোকসেৱা আয়োগে ভাৰত চৰকাৰৰ লগত আলোচনা কৰি পদোন্নতি পদসমূহ পূৰণ কৰিবৰ কাৰণে ৰাজ্য চৰকাৰকো আলোচনাৰ মাজলৈ আনে।

➢ **নিয়মানুবর্ত্তিতা আৰু নিয়ন্ত্রণ**

সর্বভাৰতীয় সেৱাৰ সকলো বিষয়া ১৯৬৮ চনৰ সর্বভাৰতীয় সেৱা (পৰিচালনা) আইনৰ অধীনত। এই বিধিসমূহ সর্বভাৰতীয় সেৱাৰ কর্মচাৰীসকলৰ কাৰণে আচৰণ বিধি। এই বিধিসমূহ কোনোৱে যদি ভংগ কৰে তেতিয়া সর্বভাৰতীয় সেৱা (নিয়মানুবর্ত্তিতা আৰু আপীল) আইনৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হয়।

(খ) কেন্দ্রীয় অসামৰিক সেৱাসমূহ ঃ- কেন্দ্রীয় সেৱাসমূহ কেন্দ্রীয় চৰকাৰৰ একচেটীয়া নিয়ন্ত্রণৰ অধীন আৰু ভাৰতৰ সংবিধান মতে, কেন্দ্রীয় চৰকাৰে প্রশাসকসকলক নিযুক্তি দিয়াৰ লগতে তেওঁলোকৰ বিষয়সমূহো ভাগ-বতৰা কৰি দিয়ে। কেন্দ্রীয় লোকসেৱাসমূহ চাৰিটা শ্রেণী বা গোটৰ দ্বাৰা গঠন কৰা হয়। সেই অনুসৰি কার্য সম্পাদনৰ দায়িত্বৰ পার্থক্য আৰু আৱশ্যকীয় অর্হতা অনুসৰি এই চাৰিটা শ্রেণী বা গোট গঠন কৰা হয়। সাধাৰণতে এনে শ্রেণীবিভাজন এই পদবোৰৰ দৰমহা গাঁথনিৰ আধাৰত কৰা হয়।

প্রথম শ্রেণী (Class-I) ঃ এই শ্রেণীৰ অন্তর্ভুক্ত পদৰ বিষয়াসকলে গুৰুত্বপূর্ণ দায়বদ্ধতা বহন কৰে আৰু দৰমহা আয়োগে নির্ধাৰণ কৰি দিয়া অনুসৰি এক নির্দিষ্ট পৰিসৰৰ উচ্চ বেতন লাভ কৰে।

দ্বিতীয় শ্রেণী (Class-II) ঃ এই শ্রেণীত মধ্যম পর্যায়ৰ অধীক্ষক বা তত্ত্বাৱধায়ক বিষয়া পদসমূহ অন্তর্ভুক্ত। এওঁলোকে প্রায়ে আৱশ্যক অনুযায়ী প্রত্যক্ষভাৱে বিভিন্ন কার্য সম্পাদন কৰিবলগা হয়।

তৃতীয় শ্রেণী (Class-III) ঃ এই শ্রেণী বা গোটটো সাধাৰণতে কেৰাণী পদেৰে গঠিত। এই শ্রেণী বিভাজনটোও দৰমহা আয়োগৰ দ্বাৰা নির্ধাৰিত দৰমহা গাঁথনি আধাৰত হয়।

চতুর্থ শ্রেণী (Class-IV) ঃ এই শ্রেণীটো সাধাৰনতে বার্তাবাহক পিয়ন আদি লঘূ কার্য সম্পাদন কৰা ব্যক্তিৰে গঠিত।

নিম্ন শ্রেণীৰ কর্মচাৰী সকলে মনোবৈজ্ঞানিক কাৰণত তৃতীয় শ্রেণী আৰু চতুর্থ শ্রেণী হিচাপে শ্রেণী বিভাজন কৰাত আপত্তি জনায়। সেয়ে বিভিন্ন পর্যায়ৰ সেৱা বা চাকৰিসমূহক প্রথম শ্রেণী, দ্বিতীয় শ্রেণী, তৃতীয় শ্রেণী আৰু চতুর্থ শ্রেণীৰ লগত সংগতি ৰাখি গ্রুপ এ, বি, চি, আৰু ডি (Group A, Group B, Group C and

Group D) সেৱা নামেৰে পুণনামকৰণ কৰা হয়। অৱশ্যে আমি যেতিয়া অসামৰিক সেৱাৰ কথা কোৱা হয়, তেতিয়া সাধাৰণতে কেৱল গ্ৰুপ এ আৰু বি কেডাৰকহে বুজোৱা হয়।

➢ **নিযুক্তি প্ৰক্ৰিয়া**

কেন্দ্ৰীয় লোকসেৱা আয়োগে কেন্দ্ৰীয় সেৱাৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ (গ্ৰেড এ আৰু বি) বিষয়াসকলৰ নিযুক্তি দিয়ে। গ্ৰুপ চি (তৃতীয় শ্ৰেণী) ৰ নিযুক্তি কৰ্মচাৰী বাচনি আয়োগে (Staff Selection Commission) দিয়ে। কেন্দ্ৰীয় লোকসেৱা আয়োগে তিনিটা সৰ্বভাৰতীয় সেৱা আৰু প্ৰথমশ্ৰেণী (গ্ৰুপ এ)ৰ ১৭ টা কেন্দ্ৰীয় সেৱা আৰু দ্বিতীয় শ্ৰেণী (গ্ৰুপ বি)ৰ ৯ টা কেন্দ্ৰীয় সেৱাৰ বাবে উমৈহতীয়া পৰীক্ষা অনুষ্ঠিত কৰে। প্ৰত্নতাত্ত্বিক সেৱা, কেন্দ্ৰীয় স্বাস্থ্য সেৱা, কেন্দ্ৰীয় অভিযান্ত্ৰিক সেৱা, ভাৰতীয় বতৰ বিজ্ঞান সেৱা, ভাৰতীয় জৰীপ সেৱাৰ দৰে অন্যান্য কেন্দ্ৰীয় সেৱা সমূহৰ বাবে কেন্দ্ৰীয় লোকসেৱা আয়োগে সুকীয়াকৈ লিখিত পৰীক্ষা বা সাক্ষাতকাৰ অথবা দুয়োটা অনুষ্ঠিত কৰে।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰদ্বাৰা প্ৰস্তুত কৰা যোগ্যতা তালিকাৰ আধাৰত আৰু প্ৰাৰ্থীৰ ব্যক্তিগত পচন্দৰ অগ্ৰাধিকাৰ অনুসৰি সফল মকলৰ কৰা হয়।

➢ **কেন্দ্ৰীয় সেৱাৰ ব্যৱস্থাপনা ঃ**

বিভিন্ন মন্ত্ৰ্যালয় আৰু বিভাগৰ আৱশ্যক অনুযায়ী কেন্দ্ৰীয় সেৱাই কিছুমান কাৰ্য সম্পাদন কৰে। সেয়েহে এই সেৱাসমূহৰ ব্যৱস্থাপনাও এই মন্ত্ৰ্যালয় আৰু বিভাগসমূহৰ ওপৰত ন্যস্ত থাকে। ইয়াৰ উদাহৰণ স্বৰূপে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে ভাৰতীয় বৈদেশিক সেৱা, বিত্ত মন্ত্ৰ্যালয়ে ভাৰতীয় ৰাজহ সেৱা, প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে ভাৰতীয় প্ৰতিৰক্ষা গননা সেৱা পৰিচালনা কৰে। তৃতীয় শ্ৰেণী (গ্ৰুপ চি) আৰু চতুৰ্থ শ্ৰেণী (গ্ৰুপ ডি) সেৱাসমূহ বিভাগীয়ভাৱে পৰিচালিত হয়।

কৰ্মচাৰী বিভাগৰ লগত হোৱা আলোচনাৰদ্বাৰা প্ৰস্তুত কৰা বিভাগীয় নিযুক্তি আৰু পদোন্নতি নীতিৰ আধাৰত এই কেডাৰসমূহ পৰিচালনা কৰে। বিভাগীয় নীতি প্ৰস্তুতৰ ক্ষেত্ৰত বিভাগসমূহ স্বাধীন। বিভাগসমূহে কৰ্মচাৰী বিভাগৰ তত্বাৱধানত কাৰ্য সম্পাদন কৰে, য'ত বিভাগ সমূহৰ মাজত সামগ্ৰিকভাৱে একৰূপতা বজাই ৰখা হয়।

➢ **নিয়মানুবৰ্ত্তিতা আৰু নিয়ন্ত্ৰণ ঃ**

কেন্দ্ৰীয় সেৱাৰ সকলো বিষয়া কেন্দ্ৰীয় অসামৰিক সেৱা (পৰিচালনা) আইন১৯৬৪ ৰ অধীন, এই আইনত কেন্দ্ৰীয় চৰকাৰৰ সকলো কৰ্মচাৰীৰ আচৰণবিধি নিৰ্দ্দিষ্ট কৰি দিয়া হৈছে। কোনো কৰ্মচাৰীয়ে যদি এই আচৰণ বিধি উলংঘন কৰে তেতিয়া তেওঁ কেন্দ্ৰীয় চৰকাৰ ভৃত্য (নিয়মানুৱৰ্তিতা আৰু আপিল) আইনৰ অধীনত শাস্তিমূলক ব্যৱস্থা মূৰ পাতি ল'বলৈ বাধ্য।

(গ) ৰাজ্যিক সেৱাসমূহ ঃ- কৃষি, শিক্ষা, বন, স্বাস্থ্য, আৰক্ষী আদি ৰাজ্য প্ৰশাসনৰ লগত জড়িত বিষয়ক সেৱা আৰু পদসমূহ ৰাজ্যিক সেৱাৰ অন্তৰ্গত। ৰাজ্যিক বিধানমণ্ডলে গৃহীত কৰা আইনৰ অধীনত ৰাজ্যিক সেৱাসমূহৰ নিযুক্তি আৰু সেৱা বা চাকৰিৰ চৰ্তাৱলী

নিয়ন্ত্রিত হয়। বিধানমণ্ডলৰ অনুপস্থিতিত ৰাজ্যপালৰ ৰাজ্যিক সেৱাৰ নিযুক্তি আৰু সেৱাৰ চর্তাৱলী সম্পর্কীয় নীতি নির্ধাৰণ আৰু নিয়ন্ত্রণৰ ক্ষমতা থাকে।

ভাৰতীয় প্রশাসনিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ দৰে ৰাজ্যিক সেৱা সমূহেও ৰাজ্যিক প্রশাসনৰ উচ্চ পর্যায়ৰ পদসমূহ দখল কৰে। আয়ুক্ত, সচিব, মুখ্য সচিব আদিবোৰ সাধাৰণতে ভাৰতীয় প্রশাসনিক সেৱাৰ বিষয়াৰদ্বাৰা আৰু আৰক্ষী প্রশাসন, আৰক্ষী অধীক্ষক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, (ডি.আই.জি), (আই.জি.পি) আৰু (ডি.জি.পি) ৰ পদ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াৰ দ্বাৰা পূৰণ কৰা হয়। ভাৰতীয় প্রশাসনিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়সকলৰ কাম-কাজ তেওঁলোকে যিখন ৰাজ্যত কাম কৰে সেই ৰাজ্যৰ প্রশাসনৰ নিয়ন্ত্রণাধীন।

কার্য আৰু অর্হতাৰ আধাৰত ৰাজ্যিক সেৱা সমূহক প্রথম শ্রেণী, দ্বিতীয় শ্রেণী, তৃতীয় শ্রেণী আৰু চতুর্থ শ্রেণী এই চাৰিটা ভাগত ভগোৱা হয়। প্রথম আৰু দ্বিতীয় শ্রেণীৰ সেৱাৰ সদস্যসকল ৰাজপত্রিত বিষয়া। তৃতীয় শ্রেণী কেৰাণী বা কার্যালয় সহায়ক কর্মচাৰী আৰু চতুর্থ শ্রেণীটো পিয়ন, বার্তাবাহক আৰু এনেধৰণৰ কর্মচাৰীৰে গঠিত। সেৱা সমূহ চৰকাৰী সংবাদপত্রত বিজ্ঞাপ্তি যোগে ঘোষণা কৰা হয়। ৰাজপত্রিত বিষয়াসকলৰ নিযুক্তি, চুটী আৰু বদলিকৰণ সম্পর্কীয় বিজ্ঞপ্তি ৰাজপত্রত প্রকাশ পায়। এখন ৰাজ্যত সাধাৰণতে ৰাজ্যিক অসামৰিক সেৱা আৰক্ষী সেৱা, আইন সেৱা, সমবায় সেৱা, শিক্ষা সেৱা, বন সেৱা, চিকিৎসা সেৱা, জনস্বাস্থ্য সেৱা, কৃষি সেৱা, পশু চিকিৎসা সেৱা, অভিযান্ত্রিক সেৱা আদিৰ দৰে সেৱাসমূহ থাকে। ৰাজ্যিক অসামৰিক সেৱা আৰু ৰাজ্যিক আৰক্ষী সেৱা কেডাৰৰ বিষয়াসকলে নির্দিষ্ট কোটাৰ অধীনত ভাৰতীয় প্রশাসনিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱালৈ পদোন্নতিও লাভ কৰিব পাৰে। ৰাজ্যিক অসামৰিক সেৱাৰ নিযুক্তি বিশেষকৈ ৰাজ্যিক অসামৰিক সেৱা আৰু ৰাজ্যিক আৰক্ষী সেৱাৰ দ্বাৰা আৰু অন্যান্য প্রথম আৰু দ্বিতীয় শ্রেণী সেৱাসমূহ ৰাজ্যিক লোকসেৱা আয়োগৰ দ্বাৰা হয়। তৃতীয় শ্রেণীৰ পৰা দ্বিতীয় শ্রেণীৰ সেৱালৈ পদোন্নতিৰো সুবিধা আছে।

➢ ৰাজ্যিক সেৱাসমূহৰ ব্যৱস্থাপনা ঃ

ৰাজ্যিক সেৱাসমূহ সংশ্লিষ্ট বিভাগৰ সচিবৰ সহায় সহযোগিতাত মন্ত্রীয়ে পৰিচালনা কৰে। সাধাৰণ প্রশাসন বিভাগে বিভিন্ন বিভাগৰ চর্তাৱলী আৰু দৰমহা গাঁথনিৰ সমৰূপতা বজায় ৰাখে। ভাৰত চৰকাৰৰ কর্মচাৰী বিভাগে যি কার্য সম্পাদন কৰে সেই একে খিনি কার্য ৰাজ্য এখনৰ সাধাৰণ প্রশাসন বিভাগে কৰে। সাধাৰণ প্রশাসন বিভাগৰ সন্মতি গ্রহণ কৰিহে যিকোনো বিভাগে নিযুক্তি, পদোন্নতি, ডেপুটেছন আদিৰ সকলো নীতি প্রস্তুত কৰে। এইদৰে ৰাজ্যিক সেৱাৰ ব্যৱস্থাপনা সম্পর্কীয় প্রধান নীতিসমূহ সাধাৰণ প্রশাসন বিভাগৰদ্বাৰা নির্ধাৰিত আৰু তত্ত্বধায়িত হয়। বিভাগৰ প্রয়োজন অনুসৰি সংশ্লিষ্ট বিভাগৰদ্বাৰা খুঁটি-নাটিসমূহ সমাধান

কৰা হয়।

➢ **সংৰক্ষণ প্ৰণালী ঃ**

সকলোবোৰ ৰাজ্যতে সংবিধানৰ ১৬ (৪) অনুচ্ছেদ আৰু ৩৩৫ অনুচ্ছেদৰ অধীনত অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে পদ সংৰক্ষণ কৰা হয়। সংৰক্ষিত পদৰ অংশ (Quota) সংসদত আইন গৃহীত কৰি স্থিৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে .....অসামৰিক সেৱা আৰম্ভ কৰিছিল। (খালী ঠাই পূৰণ কৰক)

.....

.....

প্ৰশ্ন ৪ ঃ ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ - IAS) কি ধৰণৰ সেৱা?

.....

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ প্ৰশাসন ব্যৱস্থাত দুই ধৰণৰ কাৰ্যপালিকা থাকে ৰাজনৈতিক কাৰ্যপালিক আৰু স্থায়ী বা অৰাজনৈতিক কাৰ্যপালিক।
- কল্যাণকামী ৰাষ্ট্ৰ এখনত সৰ্বাংগীন উন্নয়নত ৰাষ্ট্ৰৰ প্ৰশাসনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- কৰ্মদক্ষ প্ৰশাসনৰ বাবে ৰাজনৈতিক আৰু স্থায়ী কাৰ্যপালিকসকলৰ মাজত সম্পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন।
- ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত ভাৰতত আধুনিক অসামৰিক সেৱাৰ সূত্ৰপাত ঘটে।
- ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চুক্তিবদ্ধ অসামৰিক সেৱা আৰম্ভ কৰিছিল।
- ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছক ভাৰতৰ অসামৰিক সেৱাৰ পিতৃ আখ্যা দিয়া হয়।

- যেতিয়া ব্ৰিটিছ চৰকাৰে ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা ভাৰতৰ শাসন ভাৰ নিজ হাতলৈ নিয়ে, তেতিয়া ভাৰতৰ উচ্চ পৰ্যায়ৰ অসামৰিক সেৱাক ৰাজকীয় অসামৰিক সেৱা আখ্যা দিয়া হৈছিল। পৰৱৰ্তী কালত ইয়াক ভাৰতীয় অসামৰিক সেৱা নামেৰে জনা যায়।
- ৰাজকীয় অসামৰিক সেৱাৰ মুৰব্বীৰ দায়িত্ব ভাৰত ৰাষ্ট্ৰৰ সচিব গৰাকীৰ আছিল।
- ১৮৫৪ চনত মেক'লে কমিটিয়ে পৃষ্ঠপোষকতাৰ সলনি মেধাৰ ভিত্তিত অসামৰিক সেৱাত নিযুক্তিৰ পৰামৰ্শ আগবঢ়ায়।
- ১৯১৯ চনত ভাৰত চৰকাৰ আইনে সৰ্বভাৰতীয় সেৱা আৰু কেন্দ্ৰীয় সেৱা নামেৰে দুই শ্ৰেণীৰ সেৱা সৃষ্টি কৰে।
- স্বাধীন ভাৰতত সৰ্বভাৰতীয় সেৱা, কেন্দ্ৰীয় সেৱা আৰু ৰাজ্যিক সেৱা নামৰ তিনি প্ৰকাৰৰ সেৱা আছে।
- বৰ্তমান ভাৰতত ভাৰতীয় প্ৰশাসনিক সেৱা (আই.এ.এছ), ভাৰতীয় আৰক্ষী সেৱা (আই.পি.এছ) আৰু ভাৰতীয় বন সেৱা (আই এফ এছ) এই তিনি প্ৰকাৰৰ সৰ্বভাৰতীয় সেৱা আছে। সৰ্বভাৰতীয় সেৱাৰ কৰ্মচাৰীয়ে কেন্দ্ৰীয় চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ৰাজ্য চৰকাৰ সমূহত সেৱা আগবঢ়ায়।
- কেন্দ্ৰীয় সেৱাসমূহ কেন্দ্ৰীয় চৰকাৰৰ একচেটীয়া নিয়ন্ত্ৰণাধীন। ভাৰতীয় সংবিধানৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰশাসকসকলক নিযুক্তি দিয়াৰ লগতে প্ৰশাসনীয় বিষয়সমূহ আবণ্টন দিয়ে। কাৰ্য সম্পাদনৰ ভিন্ন দায়িত্ব আৰু প্ৰয়োজনীয় অৰ্হতাৰ আধাৰত কেন্দ্ৰীয় অসামৰিক সেৱাক চাৰিটা শ্ৰেণী বা বৰ্গত ভাগ কৰা হৈছে।
- কৃষি, শিক্ষা, বন, স্বাস্থ্য, আৰক্ষী আদি ৰাজ্যিক প্ৰশাসনৰ লগত জড়িত বিষয়সমূহ ৰাজ্যিক সেৱা আৰু পদবীৰ অন্তৰ্ভুক্ত।
- কাম-কাজ আৰু অৰ্হতাৰ ভিত্তিত ৰাজ্যিক সেৱাসমূহ প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী, তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণী এই চাৰিটা ভাগত বিভক্ত কৰা হয়।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।